# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 12-SEP-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***
——————————————

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দুদিনীয়া অসম ভ্ৰমণৰ কাৰ্যসূচী চূড়ান্ত হৈছে। প্ৰধানমন্ত্ৰীগৰাকীক আদৰাৰ বাবে বিভিন্ন ঠাইত প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই শ্ৰী মোদীৰ অসম ভ্ৰমণ সন্দৰ্ভত কালি দিছপুৰৰ লোকসভা ভৱনত মন্ত্ৰী, বিধায়ক আৰু ৰাজ্য চৰকাৰৰ উচ্চ পদস্থ বিষয়াসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। বৈঠকত মুখ্যমন্ত্ৰীয়ে নিৰাপত্তা ব্যৱস্থাৰ পৰ্যালোচনা কৰাৰ উপৰি শ্ৰী মোদীয়ে অংশগ্ৰহণ কৰিবলগীয়া অনুষ্ঠান নিখুঁতভাৱে আয়োজনৰ বাবে যাৱতীয় নিৰ্দেশনা দিয়ে। নুমলীগড়তো প্ৰধানমন্ত্ৰী মোদীক আদৰাৰ বাবে পূৰ্ণ প্ৰস্তুতি চলিছে। মন্ত্ৰী অতুল বৰাই কালি নুমলীগড়ত প্ৰধানমন্ত্ৰীয়ে অংশগ্ৰহণ কৰিবলগীয়া ৰাজহুৱা সভাৰ বিভিন্ন দিশ সন্দৰ্ভত আলোচনা কৰে। তেওঁ এই অনুষ্ঠান সফল কৰি তোলাৰ বাবে জনসাধাৰণৰ অংশগ্ৰহণ নিশ্চিত কৰাৰ লগতে সকলোকে যাৱতীয় কামকাজ নিষ্ঠাৰে পালন কৰিবলৈ আহ্বান জনায়।

উল্লেখযোগ্য যে, শ্ৰী মোদী কাইলৈ সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উপলক্ষে গুৱাহাটীৰ খানাপাৰাত আয়োজিত অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। এই অনুষ্ঠানত ৰাজ্যৰ এহেজাৰৰো অধিক শিল্পীয়ে ভূপেন হাজৰিকাৰ ১৪টা গীত আৰু কবিতা পৰিৱেশন কৰিব। এই অনুষ্ঠানতে শিল্পীগৰাকীৰ এটি স্মাৰক মুদ্ৰা আৰু এখন জীৱনী গ্ৰন্থও উন্মোচন কৰা হ'ব।

শ্ৰী মোদীয়ে পৰহিলৈ নুমলীগড় শোধনাগাৰত বিশ্বৰ প্ৰথমটো বাঁহভিত্তিক জৈৱ ইথানল প্ৰকল্প উদ্বোধন কৰিব। প্ৰধানমন্ত্ৰীৰ ভ্ৰমণক সন্মান জনাই নুমলীগড় আৰু মণিপুৰৰ মোৰে সংযোগী ৩৩৯ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা নুমলীগড় শোধনাগাৰক সংযোগ কৰা ২ দশমিক ২ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথছোৱা প্ৰধানমন্ত্ৰী নিম আলিবাট হিচাপে গঢ়ি তোলাৰ উদ্দেশ্যে ছশ নিম পুলি ৰোপণৰ ব্যৱস্থা কৰা হৈছে। খুমটাইৰ বিধায়ক মৃণাল শইকীয়াৰ উদ্যোগত এই প্ৰচেষ্টা লোৱা হৈছে। শ্ৰীমোদীয়ে ইয়াৰ পূৰ্বে মঙলদৈত প্ৰায় ৫৭৬ কোটি টকা ব্যয়েৰে দৰং চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ লগতে এখন জি এন এম স্কুল আৰু এখন নাৰ্ছিং মহাবিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰিব। তেওঁ লগতে প্ৰায় ৭ হেজাৰ কোটি টকা ব্যয়েৰে ব্ৰহ্মপুত্ৰৰ ওপৰত নাৰেঙ্গী-কুৰুৱা সংযোগী দলং আৰু গুৱাহাটী ৰিং ৰোড প্ৰকল্পৰো আধাৰশিলা স্থাপন কৰিব।

০০০০০০

দেশৰ অন্যান্য ঠাইৰ লগতে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চলত কালি ৰাষ্ট্ৰীয় বন ছহিদ দিৱস পালন কৰা হয়। দেশৰ বন ভূমি, পৰিৱেশ আৰু বন্যপ্ৰাণী সুৰক্ষাত জীৱন উৎসৰ্গা কৰা সেউজ যোদ্ধাসকলৰ প্ৰতি সন্মান জনাই প্ৰতিবছৰে ১১ ছেপ্তেম্বৰত এই দিৱস পালন কৰা হয়। বন ছহিদ দিৱস উপলক্ষে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত কৰ্তব্যৰত অৱস্থাত মৃত্যু হোৱা বনকৰ্মীসকলৰ সোঁৱৰণত বিশেষ কাৰ্যসূচী অনুষ্ঠিত হয়। বনাঞ্চলৰ সুৰক্ষাৰ স্বাৰ্থত প্ৰাণ আহুতি দিয়া বনকৰ্মী বলোৰাম নাথ, জিৰছং ইংতিকে ধৰি ৫৯ গৰাকী বন ছহিদৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰা হয়। কাজিৰঙাৰ কঁহৰাৰ স্মৃতি উদ্যানত ছহিদসকলৰ স্মৃতিত বন্তি প্ৰজ্বলন কৰাৰ উপৰি বন ছহিদসকলৰ পৰিয়ালৰ সদস্যক সম্বৰ্ধনা জনোৱা হয়। উল্লেখযোগ্য যে ১৯৬৮ চনত চোৰাং চিকাৰীৰ সৈতে হোৱা সংঘৰ্ষত মৃত্যু হোৱা বলোৰাম নাথ হৈছে ৰাষ্ট্ৰীয় উদ্যানখনৰ প্ৰথমগৰাকী বন ছহিদ। একেদৰে চলিত বৰ্ষত কৰ্তব্যৰত অৱস্থাত নাও

দুৰ্ঘটনাত বনকৰ্মী জিৰছং ইংতিয়ে প্ৰাণ হেৰুৱায়। অনুষ্ঠানত ৰাষ্ট্ৰীয় উদ্যানখনৰ সঞ্চালক সোণালী ঘোষ, বন সংমণ্ডল বিষয়া অৰুণ বিগনেছ, বন বিষয়া বিভূতি ৰঞ্জন গগৈ উপস্থিত থাকি ছহিদসকললৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

000000

আজি মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ ৪২৯ সংখ্যক তিৰোভাৱ তিথি। এই উপলক্ষে ৰাজ্যৰ সত্ৰ, নামঘৰসমূহত নাম-প্ৰসংগৰ আয়োজন কৰা হৈছে। তিৰোভাৱ তিথিত গুৰুজনালৈ প্ৰণিপাত জনাই নামঘৰ, সত্ৰত পুৱাৰ পৰাই ভকত-বৈষ্ণৱৰ ভিন্ন অনুষ্ঠানৰ আয়োজন কৰা হৈছে। শ্ৰীশ্ৰীমাধৱদেৱৰ জন্মস্থান লখিমপুৰৰ লেটেকু পুখুৰীতো তিৰোভাৱ তিথি উপলক্ষে ভকত-বৈষ্ণৱসকলে নাম-প্ৰসংগত অংশগ্ৰহণ কৰিছে। বহু শিক্ষা প্ৰতিষ্ঠানতো মাধৱদেৱৰ তিৰোভাৱ তিথি পালন কৰা হৈছে।

000000

শিৱসাগৰ জিলাৰ গড়গাঁও মহাবিদ্যালয়ত কালি তনু কোঁৱৰ সোঁৱৰণী সদৌ অসম আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত হয়। মহাবিদ্যালয়খনৰ প্ৰথমজন স্থায়ী অধ্যক্ষ তনু কোঁৱৰৰ স্মৃতিত ৩২ সংখ্যক বাৰৰ বাবে এই প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰতিযোগিতাত অসমৰ বিভিন্ন মহাবিদ্যালয়, বিশ্ববিদ্যালয়ৰ ২২ টা দলৰ ৪০ গৰাকী প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। প্ৰতিযোগিতাৰ বিষয় – 'বেদখলমুক্তকৰণে অসমৰ বনাঞ্চল সংৰক্ষণ আৰু খিলঞ্জীয়াৰ ভৱিষ্যত সুৰক্ষিত কৰিব'। প্ৰতিযোগিতাখন উদ্বোধন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সব্যসাচী মহন্তই। তৰ্ক প্ৰতিযোগিতাৰ অধ্যক্ষৰ আসন অলংকৃত কৰে শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সৌমাৰজ্যোতি মহন্তই। প্ৰতিযোগিতাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰ ঋতুৰাজ শইকীয়াই শ্ৰেষ্ঠ তাৰ্কিকৰ সন্মান লাভ কৰে। দ্বিতীয় স্থান লাভ কৰে অসম চিকিৎসা মহাবিদ্যালয়ৰ ছাত্ৰী ছাইনী ভূঞা, তৃতীয় স্থানত বীৰাংগনা সতী সাধনী ৰাজ্যিক বিশ্ববিদ্যালয়ৰ দিব্যজ্যোতি নাথে আৰু চতুৰ্থ স্থান ৰয়েল গ্ল'বেল বিশ্ববিদ্যালয়ৰ মুজাহিদুৰ ইছলামে লাভ কৰে। দলীয় শাখাত শ্ৰেষ্ঠ খিতাপ অৰ্জন কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উৎপলজ্যোতি শৰ্মা আৰু অন্বেষা চৌধুৰীয়ে। ৰয়েল গ্ল'বেল বিশ্ববিদ্যালয়ৰ মুজাহিদুল ইছলাম আৰু জনঞ্জয় দেৱে দ্বিতীয় আৰু জে বি আইন মহাবিদ্যালয়ৰ গৌৰৱ কাশ্যপ আৰু অভিলেখ কাশ্যপে তৃতীয় শ্ৰেষ্ঠ দলৰ খিতাপ অৰ্জন কৰে।

000000

টেটসহ নিযুক্তি পৰীক্ষা অৰ্থাৎ টি চি আৰ প্ৰাৰ্থীসকলে এতিয়াৰে পৰা নিযুক্তিৰ পূৰ্বে বৈধ নিয়োগ বিনিময় পঞ্জীয়ন পত্ৰ জমা দিব লাগিব। মাধ্যমিক শিক্ষা সঞ্চালকালয়ে জাৰি কৰা এটা নিৰ্দেশ অনুসৰি স্নাতক শিক্ষক আৰু স্নাতকোত্তৰ শিক্ষক পদৰ বাবে নিযুক্তিৰ ক্ষেত্ৰত বৈধ বা উন্নীত নিয়োগ বিনিময় পঞ্জীয়ন পত্ৰ জমা দিব লাগিব। মাধ্যমিক শিক্ষা সঞ্চালকালয়ে যোগ্য প্ৰাৰ্থীসকলক এই নিয়োগ বিনিময় পঞ্জীয়ন পত্ৰ সাজু কৰি ৰাখিবলৈ পৰামৰ্শ আগবঢ়াইছে।

000000

সমাপ্ত